**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-02-2025 **Time :** 0755 Hrs.

# Assamese Morning Bulletin

ৰাজ্যৰ শিক্ষানুষ্ঠানসমূহত নৱম শ্ৰেণীৰ পৰাই কৃত্ৰিম বুদ্ধিমত্তা সম্পৰ্কীয় পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰা হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ঘোষণা কৰিছে। উত্তৰ লখিমপুৰত কালি এখন সংবাদমেল সম্বোধন কৰি শিক্ষামন্ত্ৰী ডাঃ পেগুৱে কয়, যে টাটাৰ সৈতে লগ লাগি ৰাজ্য চৰকাৰে শিক্ষাৰ ক্ষেত্ৰত নতুনত্বৰ সূচনা কৰিব বিচাৰিছে। ইয়াৰ অংশ স্বৰূপে নৱম, দশম, একাদশ আৰু দ্বাদশ শ্ৰেণীত নতুনকৈ ১১ টা ঐচ্ছিক বিষয় অন্তৰ্ভুক্ত কৰিবলৈ শিক্ষা বিভাগে প্ৰস্তুতি সম্পন্ন কৰিছে। কৃত্ৰিম বুদ্ধিমত্তা, ৰব'টিক এডভান্সড মাৰ্কেটিং, ছেমি কণ্ডাক্টৰ, মেচিন লাৰ্নিং আদিক ঐচ্ছিক বিষয় হিচাপে অন্তৰ্ভুক্ত কৰা হ'ব। ইয়াৰ বাবে অসম চৰকাৰে ৪০০ কোটি টকা খৰচ কৰিব। তেওঁ কয়, যে ৰাজ্যৰ কাৰিকৰী শিক্ষা প্ৰতিষ্ঠানসমূহত উন্নত মানৰ শিক্ষা প্ৰদান কৰা হ'ব। ৪৩ খন আই টি আইৰ শিক্ষাৰ্থীয়ে লাভ কৰা প্ৰমাণপত্ৰখন দশম শ্ৰেণী উত্তীৰ্ণ সম পৰ্যায়ৰ হ'ব বুলি তেওঁ উল্লেখ কৰে। তেনে শিক্ষাৰ্থীয়ে সেই প্ৰমাণপত্ৰৰে একাদশ শ্ৰেণীত নামভৰ্তি কৰিব পাৰিব। আনহাতে, পলিটেকনিকত উত্তীৰ্ণ শিক্ষাৰ্থীসকলক দ্বাদশ শ্ৰেণী উত্তীৰ্ণৰ মৰ্যাদা দিয়া হ'ব। তেওঁলোকে স্নাতক পৰ্যায়ৰ পাঠ্যক্ৰমত নামভৰ্তি কৰিব পাৰিব। পলিটেক্নিকত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীয়ে আই আই টি আৰু অভিযান্ত্ৰিক শিক্ষা গ্ৰহণৰ সুযোগ পাব। অনাগত সময়ত ৰাজ্যৰ ১১ টা বিভাগত কাৰিকৰী শিক্ষা প্ৰদানৰ বিষয়েও চৰকাৰে চিন্তা কৰিছে বুলি তেওঁ কয়। উদ্যমিতাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰীৰ স্ব-নিয়োজন আঁচনিয়ে শিক্ষাৰ্থীসকলক উপকৃত কৰিব বুলি তেওঁ মন্তব্য কৰে।

০০০০০০০

———জাপানী ভাষাৰ শিক্ষা আৰু সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে উত্তৰ-পূব জাপান কাৰ্ণিভান মহোৎসৱ অনুষ্ঠিত হৈছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ জিতেন হাজৰিকাই কালি এই মহোৎসৱৰ শুভাৰম্ভ কৰে। এই মহোৎসৱত জাপানৰ ভাষা-সাহিত্য, সংস্কৃতি, ঐতিহ্য আৰু পৰম্পৰা প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। জাপান ফাউণ্ডেচনৰ সহযোগত বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ উদ্যোগত আয়োজিত এই মহোৎসৱৰ অংশ হিচাপে ৰাজ্যখনত জাপানী ভাষাৰ শিক্ষাৰ প্ৰতি যুৱক-যুৱতীসকলক আগ্ৰহী কৰি তোলাৰ প্ৰয়াস কৰা হ'ব। মহোৎসৱত জাপানৰ ভাষা কলা-সংস্কৃতি আৰু ঐতিহ্যক প্ৰতিফলিত কৰি তিনিখন চলচ্চিত্ৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। উল্লেখযোগ্য যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অহা শিক্ষাবৰ্ষৰ পৰা জাপানী ভাষাৰ পাঠ্যক্ৰম আৰম্ভ কৰাৰ পৰিকল্পনা লোৱা হৈছে। অসমৰ ৫০ হাজাৰ ল'ৰা-ছোৱালীক জাপানত কাম কৰাৰ বাবে উপযুক্ত কৰি তুলিবলৈ ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পৰিকল্পনা কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত এই জাপানী শিক্ষাৰ পাঠ্যক্ৰমে সহায় কৰিব বুলি বিশ্ববিদ্যালয় সূত্ৰই প্ৰকাশ কৰে।

০০০০০০০

যোৰহাট থিয়েটাৰৰ ১৩০ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। এই বছৰৰ প্ৰতিষ্ঠা দিৱসত ১৯২৯ চনত যোৰহাট থিয়েটাৰৰ সদস্যপদ গ্ৰহণ কৰা বিশিষ্ট নাট্যকাৰ চন্দ্ৰ গগৈক স্মৰণ কৰা হ'ব। পাপৰি কবি গণেশ চন্দ্ৰ গগৈয়ে ১৯৩৪ চনত শকুনিৰ প্ৰতিশোধ নাটকখন ৰচনা কৰিছিল। এই নাটকখনত অভিনয় কৰা গণেশ চন্দ্ৰ গগৈ, নবীন বৰুৱা, ৰাজকুমাৰ নগেন্দ্ৰ নাৰায়ণ সিংহ, কৰুণাধৰ বৰুৱা, দৰ্পনাথ শৰ্মা, মতিলাল দাস, ডাঃ কালীপ্ৰসাদ বৰুৱা আৰু বিপিন বৰুৱাৰ স্মৃতিত আৰু বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক কেশৱ চন্দ্ৰ গোলস্বামীৰ পৱিত্ৰ সোঁৱৰণত এইবাৰ যোৰহাট থিয়েটাৰে শকুনিৰ প্ৰতিশোধ নাটকখন পৰিৱেশন কৰিব। আজি পুৱা ৯ বজাত পতাকা উত্তোলন, স্মৃতি তৰ্পন, ন-পুৰণি শিল্পী সদস্য, পৃষ্ঠপোষকৰ অন্তৰংগ আলাপৰ লগতে দুটাকৈ দৰ্শনীৰে শকুনিৰ প্ৰতিশোধ নাটকখন মঞ্চস্থ কৰা হ'ব।

০০০০

কাজিৰঙাত কালিৰে পৰা আন্তঃৰাষ্ট্ৰীয় হস্তী স্বাস্থ্য চিকিৎসা প্ৰশিক্ষণ তথা দেশৰ প্ৰথম হস্তী চিকিৎসা শিবিৰ আৰম্ভ হৈছে। কাজিৰঙাৰ কঁহৰাত অৱস্থিত বন বিভাগৰ মহীচন্দ্ৰ মিৰি প্ৰেক্ষাগৃহত কালি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সঞ্চালক সোণালী ঘোষে বন্তি প্ৰজ্বলন কৰি এই হাতীৰ আন্তঃৰাষ্ট্ৰীয় চিকিৎসা প্ৰশিক্ষণ শিবিৰ আৰম্ভ কৰে। বেচৰকাৰী সংস্থা ৱাইল্ড লাইফ এছ অ' এছৰ উসদ্যোগত আৰু কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষৰ সহযোগত আয়োজিত এই অনুষ্ঠানত ২৫গৰাকী পশু চিকিৎসকক প্ৰশিক্ষণ দিয়া হয়।

০০০০০০০

চৰাইদেউ জিলা যক্ষ্মা কেন্দ্ৰত আয়োজিত এটা অনুষ্ঠানত ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ আৰু প'লিমাৰ লিমিটেড চমুকৈ বি চি পি এলে নিক্ষয় মিত্ৰ হিচাপে আগবঢ়োৱা পুষ্টিকৰ খাদ্যৰ টোপোলা বিতৰণ কৰা হয়। চৰাইদেউৰ জিলা আয়ুক্ত ডাঃ নেহা যাদৱে কালি আনুষ্ঠানিকভাৱে ভালেমান যক্ষ্মা ৰোগীৰ মাজত এই টোপোলাসমূহ বিতৰণ কৰে। জিলাখনত চলি থকা ১০০ দিনীয়া যক্ষ্মা নিৰ্মূল অভিযানত ৭৪ হাজাৰ লোকৰ যক্ষ্মা পৰীক্ষা কৰা হয় আৰু ইয়াৰে ২৪০ গৰাকীৰ দেহত এই ৰোগ ধৰা পৰে। উল্লেখযোগ্য যে বি চি পি এলে চৰাইদেউ জিলাত ৩ বছৰৰ বাবে যক্ষ্মা ৰোগীক পুষ্টিকৰ খাদ্য প্ৰদান কৰিব।

০০০০০

**সমাপ্ত**